NRC
NATIONAL REGISTER OF CITIZENS

# আমাৰ এন আৰ চি
# ন্যায়সংগত এন আৰ চি

সকলো যোগ্য আৱেদনকাৰীৰ নাম সন্নিবিষ্ট সম্পূৰ্ণ খচৰা এন আৰ চি ৩০ জুলাই ২০১৮ তাৰিখে প্ৰকাশিত হৈছে। **এইখন চূড়ান্ত এন আৰ চি নহয়।** সম্পূৰ্ণ খচৰা এন আৰ চি খনত নাম অন্তৰ্ভুক্ত নোহোৱা আৱেদনকাৰীসকলক যোগ্যতাৰ প্ৰমাণসাপেক্ষে চূড়ান্ত এন আৰ চিত নাম অন্তৰ্ভুক্তিৰ বাবে পৰ্য্যাপ্ত সুযোগ দিয়া হ'ব। এই আৱেদনকাৰীসকলে তেওঁলোকৰ **দাবী** নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত দাখিল কৰিব লাগিব। সম্পূৰ্ণ খচৰা এন আৰ চিত অযোগ্য ব্যক্তিৰ নাম সন্নিবিষ্ট হৈ থাকিলে তাৰ বিৰুদ্ধে **আপত্তি** দাখিল কৰাৰো ব্যৱস্থা আছে। নামৰ বানান, বয়স, ঠিকনাৰ বিৱৰণ আদিত কিবা ভুল থাকিলে সেইবোৰৰো **সংশোধন** কৰিব পৰা যাব। **সকলো দাবী, আপত্তি আৰু সংশোধন নিষ্পত্তি হোৱাৰ পিছতহে চূড়ান্ত এন আৰ চি প্ৰকাশিত হ'ব।**




## নিম্নলিখিত প্ৰতিটোৰ বাবে পৃথক ফৰ্ম থাকিব ঃ

## দাবী | আপত্তি | সংশোধন

### কোনে দাবী আৰু আপত্তি দাখিল কৰিব পাৰিব ?

- যিসকল আৱেদনকাৰীয়ে **৩১ আগষ্ট ২০১৫** তাৰিখলৈকে এন আৰ চি আৱেদন পত্ৰ দাখিল কৰিছিল, তেওঁলোকে দাবী উত্থাপন কৰিব পাৰিব
- আপত্তি, যিকোনো লোকে দাখিল কৰিব পাৰিব

### দাবী আৰু আপত্তিসমূহ ক'ত দাখিল কৰিব ?

- দাবীসমূহ কেৱল এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)তহে জমা দিব পাৰিব য'ত দাবীদাৰসকলে আগেয়ে তেওঁলোকৰ আৱেদনপত্ৰসমূহ দাখিল কৰিছিল
- কোনো আৱেদনকাৰীয়ে আৱেদনপত্ৰ দাখিল কৰাৰ পিছত ঠিকনা সলনি কৰিলেও, দাবীসমূহ কেৱল পূৰ্বতে এন আৰ চি আৱেদন দাখিল কৰা এন এছ কে'তহে দাখিল কৰিব লাগিব
- যাৰ বিৰুদ্ধে আপত্তি দাখিল কৰা হৈছে তেওঁৰ বাসস্থানৰ এলেকাৰ বাবে নিৰ্দিষ্ট এন এছ কে'তহে আপত্তি দাখিল কৰিব লাগিব
- দাবী আৰু আপত্তিসমূহ নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়ক (এল আৰ চি আৰ)ৰ ওচৰত এন এছ কেত দাখিল কৰিব লাগিব

### দাবী, আপত্তি আৰু সংশোধনীৰ আৱেদনসমূহ কেতিয়া দাখিল কৰিব ?

- দাবী, আপত্তি আৰু সংশোধনীৰ আৱেদনসমূহ **৩০ আগষ্ট ২০১৮** তাৰিখৰ পৰা **২৮ চেপ্তেম্বৰ ২০১৮** তাৰিখলৈ নিৰ্দিষ্ট প্ৰ-পত্ৰত এন এছ কেত গ্ৰহণ কৰা হ'ব

### আৱেদন প্ৰ-পত্ৰ কেনেকৈ পাব ?

- দাবী, আপত্তি আৰু সংশোধনীৰ বাবে প্ৰ-পত্ৰসমূহ **১০ আগষ্ট ২০১৮** তাৰিখৰ পৰা এন এছ কে সমূহত পাব বা ৱেবচাইট **www.nrcassam.nic.in** ৰ পৰা ডাউনলোডো কৰিব পাৰিব
- প্ৰ-পত্ৰৰ নমুনা **২৩ জুলাই ২০১৮** তাৰিখৰ পৰা ৱেবচাইটত চাব বা ডাউনলোডো কৰিব পাৰিব

### দাবী আৰু আপত্তিৰ লগত কি দাখিল কৰিব ?

- অন্তৰ্ভুক্ত নোহোৱাৰ কাৰণ অনুসৰি, অতিৰিক্ত নথি বা পূৰ্বতে দাখিল কৰা একেই নথিৰে সৈতে দাবী দাখিল কৰিব পাৰিব
- আপত্তিৰ বাবে যথাযোগ্য কাৰণ দৰ্শাই আপত্তিসমূহ দাখিল কৰিব লাগিব

### নাম অন্তৰ্ভুক্ত নোহোৱাৰ কাৰণ(সমূহ) কিদৰে জানিব পাৰি ?

- সম্পূৰ্ণ খচৰা **এন আৰ চিত নাম(সমূহ) অন্তৰ্ভুক্ত নোহোৱাৰ কাৰণ বিচাৰি** নিৰ্দ্ধাৰিত এন এছ কে'ৰ নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়কৰ ওচৰত আৱেদন দাখিল কৰিব লাগিব। এই প্ৰক্ৰিয়া **১০ আগষ্ট ২০১৮** তাৰিখৰ পৰা **২৮ চেপ্তেম্বৰ ২০১৮** তাৰিখলৈ অব্যাহত থাকিব। এইআৱেদনৰবাবে প্ৰ-পত্ৰ **৭ আগষ্ট ২০১৮** তাৰিখৰ পৰা এন এছ কে'ত উপলব্ধ হ'ব আৰু অনলাইনতো **www.nrcassam.nic.in** ৱেবচাইটৰ পৰা ডাউনলোড কৰিব পাৰিব

### মন কৰিবলগীয়া অন্যান্য বিষয়সমূহ

- সম্পূৰ্ণ খচৰা এন আৰ চি আৰু চূড়ান্ত এন আৰ চিত কেৱল সেইসকল লোকৰ নাম অন্তৰ্ভুক্ত হ'ব যিসকলে আৱেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ (**৩১ আগষ্ট ২০১৫**)ৰ ভিতৰত জন্মগ্ৰহণ কৰিছিল আৰু যিসকলৰ নাম আৱেদনপত্ৰত উল্লেখিত আছিল। **৩১ আগষ্ট ২০১৫** তাৰিখৰ পিছত জন্ম লাভ কৰা আৱেদনকাৰীৰ শিশুসকলৰ নাম এন আৰ চিত অন্তৰ্ভুক্তিৰ বাবে দাবী উত্থাপন কৰিব নোৱাৰিব
- একেধৰণে, আৱেদনপত্ৰ জমা দিয়াৰ পিছত মৃত্যু হোৱা কোনো আৱেদনকাৰী যোগ্যতা সাপেক্ষে অন্তৰ্ভুক্ত হ'লে তেওঁলোকৰ নাম সম্পূৰ্ণ খচৰা এন আৰ চিৰ পৰা বাদ নপৰে
- দাবী আৰু আপত্তিসমূহ কেৱল এন এছ কে'তহে জমা কৰিব পাৰিব, অনলাইনত নহয়। যদিও সংশোধনীৰ আৱেদন অনলাইনতো কৰিব পৰা যাব

*যিসকল আৱেদনকাৰীৰ নাম সম্পূৰ্ণ খচৰা এন আৰ চিত অন্তৰ্ভুক্ত হোৱা নাই তেওঁলোকে চিন্তা কৰিব নালাগে।*
*২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)ৰ সময়সীমা অনুসৰি সকলো প্ৰকৃত ভাৰতীয়ৰ নাম চূড়ান্ত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত কৰা হ'ব।*

**গুৰুত্বপূৰ্ণ তাৰিখ**
দাবী, আপত্তি আৰু সংশোধনীৰ প্ৰ-পত্ৰ দাখিল আৰু গ্ৰহণ ঃ **৩০ আগষ্টৰ পৰা ২৮ চেপ্তেম্বৰ, ২০১৮ লৈ**
সম্পূৰ্ণ খচৰাত নাম অন্তৰ্ভুক্তি নোহোৱাৰ কাৰণ(সমূহ) জানিবলৈ আৱেদনপত্ৰ দাখিল ঃ **১০ আগষ্টৰ পৰা ২৮ চেপ্তেম্বৰ, ২০১৮ লৈ**

Exclusive/NRC/08-18

জনহিতাৰ্থে প্ৰচাৰিত
ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম চৰকাৰ
নাগৰিক পঞ্জীয়নৰ মহাপঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ

বিশদভাবে জানিবলৈ আৰু সহায়ৰ বাবে
আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক | ১৫১০৭ (অসমৰ বাবে) ১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)
আমাৰ ৱেবচাইট www.nrcassam.nic.in
nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক